স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

D.H.S.K. College, A.C.C. Library, Estd-1945, Date, Dibrugarh, Assam

**সুপ্ৰভাত**

আজিৰ দিনটোতে—

- ১৯২৮ত চেতাৰ বাদক বিলায়ত খানৰ জন্ম।
- ১৯২৮ত পদাৰ্থ বিজ্ঞানী এম জি কে মেননৰ জন্ম।
- ২০০২ত কাজিৰঙাত দেশৰ প্ৰথমটো বন্যপ্ৰাণী উদ্ধাৰ কেন্দ্ৰ স্থাপন।
- ১৯৭২ত ভাৰতত সাধাৰণ বীমা ৰাষ্ট্ৰীয়কৰণ।
- ১৯০৪ত কলকাতা আৰু বেৰেকপুৰৰ মাজত প্ৰথম কাৰৰেলী।
- ১৯৯০ত কুৱেইটক ইৰাকৰ ১৯সংখ্যক প্ৰদেশ ৰূপে ঘোষণা।

া ১৭৩ □ সোমবাৰ □ ১০ ভাদ ১৯৪৫ শক □ ২৮ আগষ্ট ২০২৩ চন □ VOL-13 □ NO-173 □ MONDAY 28 AUGUST 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

# কানৈ মহাবিদ্যালয়ত ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পাঠদানৰ সুবিধা

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৭ আগষ্ট ঃ অসমৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ক পাঠদানকে ধৰি অন্যান্য সা-সুবিধা প্ৰদান কৰি বিশ্ববিদ্যালয়খন গঢ়ি তোলাৰ অংশীদাৰ হৈ পৰিছে ডি এইচ এছ কানৈ মহাবিদ্যালয়। নতুনকৈ প্ৰতিষ্ঠা হোৱা বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি সম্পন্ন নোহোৱা হেতু কানৈ মহাবিদ্যালয়ত পাঠদানৰ বাবে কিছু কোঠা আৰু ছাত্ৰাৱাস, ছাত্ৰী নিৱাসত আৱাসী থকাৰ সুবিধা কৰি দিছে কানৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই। নতুনকৈ গঢ়ি উঠা বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ লগতে পাঠদানৰ উদ্বোধনী অনুষ্ঠান ২৫ আগষ্টত সম্পন্ন হয়। সভাত বিশ্ববিদ্যালয়খনৰ প্ৰথমগৰাকী উপাচাৰ্য ড° জে পি বাৰ্মাই কয়— আজিৰ দিনটো নতুনকৈ গঢ়ি উঠা বিশ্ববিদ্যালয়খনৰ বাবে এক ঐতিহাসিক খোজ বুলিব পাৰি। উপাচাৰ্যগৰাকীয়ে কয়— বিশ্ববিদ্যালয়খনৰ চাৰি বছৰীয়া শাৰীৰিক শিক্ষাৰ স্নাতক (অনাৰ্ছ, গৱেষণা) কাৰ্যসূচী মুকলি কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ ইতিহাসত ই এক মাইলৰ খুঁটি হৈ ৰ'ব বুলি তেওঁ কয়। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ সহযোগত এক যুগান্তকাৰী দিশৰ সূচনা হোৱা বুলিও তেওঁ কয়। ২৪জন ছাত্ৰ-ছাত্ৰীৰে শৈক্ষিকযাত্ৰা আৰম্ভ কৰিছে বিশ্ববিদ্যালয়খনে। বিশ্ববিদ্যালয়খনে ভৱিষ্যতে শাৰীৰিক শিক্ষাৰ ভেটি দৃঢ় কৰিব বুলিও তেওঁ কয়। বিশ্ববিদ্যালয়খন গঢ়ি তোলাৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই যিদৰে পদক্ষেপ গ্ৰহণ কৰিলে, তাৰ বাবে অধ্যক্ষগৰাকীক ভূয়সী প্ৰশংসা কৰে আৰু তেওঁৰ নিষ্ঠা আৰু দায়িত্বৰ শলাগ জনায়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীয়ে দৃঢ় পদক্ষেপ নোলোৱাহেঁতেন এনেদৰে পাঠদানৰ প্ৰক্ৰিয়া সহজে আগনাবাঢ়িলেহেঁতেন বুলিও তেওঁ কয়। বিশ্ববিদ্যালয়খনৰ জয়যাত্ৰাৰ প্ৰাক্‌ক্ষণৰ পৱিত্ৰ মুহূৰ্তত উপস্থিত থাকি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— এখন নতুনকৈ গঢ়ি উঠা বিশ্ববিদ্যালয়ৰ জয়যাত্ৰাৰ অংশীদাৰ হ'বলৈ পাই আমি অতি গৌৰৱান্বিত। বিশ্ববিদ্যালয়খন গঢ়ি তোলাৰ ক্ষেত্ৰত কানৈ মহবিদ্যালয়ে আঁৰত থাকি প্ৰতিক্ষণত সহায় কৰি অহা বুলি উল্লেখ কৰি তেওঁ কয় যে ডি এইচ এছ কানৈ মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় গঢ়ি তোলাৰ ইতিহাস ৰচি থৈছেই। এতিয়া দ্বিতীয় এখন বিশ্ববিদ্যালয় গঢ়ি তোলাৰ অংশীদাৰ হ'বলৈ পাই জীৱন ধন্য হোৱা বুলি তেওঁ কয়। বিশ্ববিদ্যালয়খন গঢ়াৰ ক্ষেত্ৰত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া, উপাচাৰ্য ড° জে পি বাৰ্মা, পঞ্জীয়ক পাৰ্থ প্ৰতিম বৈৰাগীয়ে যিদৰে দিনে-নিশাই কঠোৰ পৰিশ্ৰম কৰিছিল, কানৈ মহাবিদ্যালয় পৰিয়ালৰ স'তে আলোচনা কৰিছিল, সেয়া স্মৰণীয় মুহূৰ্ত হ'ব বুলি তেওঁ কয়। অধ্যক্ষগৰাকীয়ে কয়— কানৈ মহাবিদ্যালয়ে সদায় সমাজ আৰু দেশৰ উত্তৰণৰ বাবেই কাম কৰি আহিছে আৰু ভৱিষ্যতেও কৰি যাব। বিশ্ববিদ্যালয় এখন চালুকীয়া অৱস্থাৰ পৰা পাঠদান আৰম্ভ কৰালৈকে কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজন সদস্যই যিদৰে সহযোগিতা, ইতিবাচক চিন্তা আৰু কৰ্মৰে আগুৱাই নিলে, তাৰ বাবে উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীকে ধৰি পৰিয়ালৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰে। এই বিশ্ববিদ্যালয়খন ভৱিষ্যতে এক উজ্জ্বল জ্যোতিষ্কৰ দৰে জিলিকি উঠিব বুলি তেওঁ কয়। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক পাৰ্থ প্ৰতিম বৈৰাগীকে ধৰি কেইবাগৰাকী অধ্যাপক-অধ্যাপিকা, প্ৰশিক্ষক আৰু ছাত্ৰ-ছাত্ৰী, অভিভাৱক উপস্থিত থাকে। আনহাতে, একেদিনাই কানৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখনো অনুষ্ঠিত হয়। সভাত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, যুৱ নেতা সুভাষ দত্ত, ছাত্ৰ নেতা পাৰ্শ্ব পাটগিৰি, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীকে ধৰি অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকি নৱাগতসকলক আদৰণি জনায়।

